# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-07-2025
**Time :** 17-15  Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাত ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণ আৰু অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই আঁচনিসমূহৰ বৰ্তমানৰ স্থিতি, হিতাধিকাৰীৰ সংখ্যা আৰু তৃণমূল পৰ্যায়ত ইয়াৰ প্ৰভাৱৰ পৰ্যালোচনা কৰে। যুৱ প্ৰজন্ম আৰু মহিলাসকলক আৰ্থিক সাহায্য প্ৰদানেৰে আত্মনিৰ্ভৰশীল কৰি তোলাটোৱে এই আঁচনিসমূহৰ মূল উদ্দেশ্য বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই স্বচ্ছ আৰু নিকা পদ্ধতিৰে আঁচনিসমূহৰ সঠিক ৰূপায়ণত গুৰুত্ব আৰোপ কৰে। এই পৰ্যালোচনা বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনত মহিলা সৱলীকৰণৰ লক্ষ্যৰে আৰম্ভ কৰা অৰুণোদয় আঁচনি, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ সফলতা সন্দৰ্ভত আলোকপাত কৰে। ড° শৰ্মাই মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ কথা উল্লেখ কৰি তামুলপুৰ জিলাৰ হিতাধিকাৰীয়ে মুদ্ৰা ঋণৰ বাবে যোগ্যতা অৰ্জন কৰিছে বুলি প্ৰকাশ কৰে।

oooo

ভূমিস্খলনৰ বাবে বন্ধ হোৱা লামডিং-শিলচৰ ৰে'লপথছোৱা পুনৰ ৰে'ল চলাচলৰ বাবে মুকলি কৰা হৈছে। ডিমা হাচাও জিলাৰ দিহাখো আৰু মুপা ষ্টেছনৰ মাজৰ ৰে'লপথছোৱা কালি  বৃহৎ শিল আৰু মাটি খহি অহাৰ ফলত এই পথছোৱাৰে ৰেল চলাচল বন্ধ কৰি দিয়া হৈছিল। উত্তৰ-পূৰ সীমান্ত ৰে'লৰে সূত্ৰৰ উদ্ধৃতি দি আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে, ভূমিস্খলনৰ ফলত ক্ষতিগ্ৰস্ত ৰে'লপথৰ পৰা শিল, বালি আঁতৰোৱাৰ পাছত আজি পুৱা ৯ বাজি ৪২ মিনিটৰ পৰা এই ৰে'লপথেৰে পুনৰ ৰে'ল চলাচলৰ অনুমতি দিয়া হয়। আগৰতলাৰ পৰা মুম্বাইৰ লোকমান্য তিলক টাৰ্মিনেছলৈ যাত্ৰা কৰা ১২৫২০ ৰে'লগাড়ীখনে ইয়াৰ পাছত সুকলমে ৰে'লপথছোৱা অতিক্ৰম কৰে। কালি লামডিং-শিলচৰ-বদৰপুৰ আৰু আগৰতলাত ৰখাই থোৱা ৰে'লগাড়ীসমূহৰ যাত্ৰীসকলক খাদ্য আৰু খোৱাপানী যোগান ধৰা হয় বুলি ৰে'লৰে সূত্ৰই প্ৰকাশ কৰিছে।

oooo

সুগন্ধী পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ স্মৃতি দিৱসত আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰিছে। প্ৰেম আৰু ৰ'দালিৰ কবি হিচাপেও পৰিচিত হীৰুদাৰ সৰল প্ৰকাশেৰে তুলি ধৰা কাব্য সম্ভাৰে দেশপ্ৰেম, সমাজ সচেতনতা আৰু মানৱতাৰ বিচিত্ৰ অনুভৱেৰে সকলোকে মন্ত্ৰমুগ্ধ কৰি আহিছে। অসমীয়া সাহিত্য জগতৰ উজ্বল নক্ষত্ৰ হীৰুদাৰ ১৩ খন কবিতা পুথি অসমীয়া ভাষাত প্ৰকাশ হোৱাৰ লগতে দুখন বঙালী ভাষালৈ অনূদীত কৰা হৈছে। ১৯৯২ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰা হীৰুদাৰ প্ৰথম কবিতা পুথিৰ সংকলন আছিল **মোৰ দেশ মোৰ প্ৰেমৰ কবিতা**। সুগন্ধি পখিলা, শইচৰ পথাৰ মানুহ, ভালপোৱাৰ বোকামাটি, কবিতাৰ ৰ'দ আদি কাব্য

সংকলনেৰে হীৰুদাই অসমীয়া কাব্য সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হীৰুদাৰ স্মৃতি দিৱসত শ্ৰদ্ধাঞ্জলি জনাই কয়, যে জীৱনটোক গভীৰভাৱে অনুভৱ কৰি সৃষ্টিৰ বিশাল সাগৰত কবিতাৰ লহৰ তোলা হীৰুদাৰ নাম সকলোৰে হৃদয়ত আজীৱন ৰৈ যাব।

০০০০

অসম বিধানসভাৰ অধ্যক্ষ তথা পানেৰী সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰীয়ে আজি নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাথনি উন্নয়ন আঁচনিৰ অধীনত ওদালগুৰি জিলাৰ শুক্লাইত নেহেৰু মেমোৰিয়েল হাইস্কুলৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত কমল মেধি, বিশিষ্ট সমাজকৰ্মী জৌশ্ৰাং বড়ো আৰু ফতিক কছাৰীৰ লগতে বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক শিক্ষক, প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী তথা ভালেমান বিশিষ্ট লোক উপস্থিত থাকে।

০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান-আই আই টি গুৱাহাটীৰ ছাত্ৰী সুকন্যা সোণোৱালক কমনৱেল্‌থ যুৱ শান্তি ৰাষ্ট্ৰদূত নেটৱৰ্ক -চি ৱাই পি এ এনৰ কাৰ্যবাহী কমিটিৰ নেতৃত্বৰ বাবে নিৰ্বাচিত কৰা হৈছে। চি ৱাই পি এ এন হৈছে  কমনৱেল্‌থ সদস্যভুক্ত ৰাষ্ট্ৰসমূহত সৃষ্টি হোৱা হিংসাত্মক উগ্ৰবাদক প্ৰতিহত কৰাৰ লগতে শান্তি, সন্মান আৰু বুজাবুজিৰ প্ৰসাৰৰ বাবে কাম কৰা যুৱক-যুৱতীৰ নেতৃত্বৰ এখন সমিতি। আই আই টি গুৱাহাটীৰ জৈৱ বিজ্ঞান আৰু জৈৱ অভিযান্ত্ৰিক ডিগ্ৰী লাভ কৰা সুকন্যা সোণোৱালে ২০২৫ -২৭ চনৰ কাৰ্যকালৰ বাবে এই সমিতিৰ এগৰাকী যোগাযোগকাৰী হিচাপে নিৰ্বাচিত হৈছে। উল্লেখযোগ্য যে লখিমপুৰ জিলাৰ বাসিন্দা সুকন্যা সোণোৱালে বিগত ৪ বছৰে আই আই টি গুৱাহাটীৰ ফ্লেগশ্বিপ টেকনো মেনেজমেণ্ট ফেষ্টিভেল টেকনিচত মিডিয়া এণ্ড ব্ৰেণ্ডিং দলৰ মূল সদস্য হিচাপে কাম কৰি আছে।

০০০০

অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে অসম মাধ্যমিক বিদ্যালয় কাৰ্যালয় সহায়ক সন্থাৰ উনবিংশ দ্বিবাৰ্ষিক অধিবেশনৰ পৰিপ্ৰেক্ষিতত প্ৰতিনিধিসকলৰ বাবে বিশেষ ছুটি মঞ্জুৰ কৰিছে। এই অনুসৰি প্ৰতিনিধিসকলে ৯ জুলাইৰ পৰা ১২ জুলাইলৈ এই বিশেষ ছুটি লাভ কৰিব। উল্লেখযোগ্য যে, অহা ১০ৰ পৰা ১২ জুলাইলৈ ধেমাজিৰ চিলাপথাৰত মাধ্যমিক বিদ্যালয় কাৰ্যালয় সহায়ক সন্থাৰ দ্বিবাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব।

০০০০

সমাপ্ত